যেতিয়াই কোনো মুছলিমে কোনো দুআ কৰে, যদি সেই দুআটোত কোনো গুনাহ নাথাকে, অথবা সেইটো আত্মীয়তাৰ বন্ধন ছিন্ন কৰাৰ বাবে নহয়, তেন্তে আল্লাহে সেই দুআৰ বিনিময়ত তাক এই তিনিটা বিষয়ৰ যিকোনো এটা প্ৰদান কৰে। ১- হয়তো লগে লগে তাৰ দুআ কবূল কৰে, ২- নাইবা আখিৰাতৰ বাবে সেইটো জমা কৰি ৰাখে, ৩- অথবা সেই পৰিমাণ কোনো বিপদ-আপদ দূৰ কৰি দিয়ে।" চাহাবাসকলে ক'লেঃ তেনেহ'লে আমি আৰু বেছি পৰিমাণে কৰিম। তেতিয়া তেখেতে ক'লেঃ "তেন্তে আল্লাহেও অধিক প্ৰদান কৰিব।

আবু ছাঈদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যেতিয়াই কোনো মুছলিমে কোনো দুআ কৰে, যদি সেই দুআটোত কোনো গুনাহ নাথাকে, অথবা সেইটো আত্মীয়তাৰ বন্ধন ছিন্ন কৰাৰ বাবে নহয়, তেন্তে আল্লাহে সেই দুআৰ বিনিময়ত তাক এই তিনিটা বিষয়ৰ যিকোনো এটা প্ৰদান কৰে। ১- হয়তো লগে লগে তাৰ দুআ কবূল কৰে, ২- নাইবা আখিৰাতৰ বাবে সেইটো জমা কৰি ৰাখে, ৩- অথবা সেই পৰিমাণ কোনো বিপদ-আপদ
দূৰ কৰি দিয়ে।" চাহাবাসকলে ক'লেঃ তেনেহ'লে আমি আৰু বেছি পৰিমাণে কৰিম। তেতিয়া তেখেতে ক'লেঃ "তেন্তে আল্লাহেও অধিক প্ৰদান কৰিব।" [ছহীহ] [(আহমদ)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, মুছলিমে যেতিয়া আল্লাহৰ ওচৰত দুআ কৰে, সেই দুআ যদি কোনো গুনাহ কৰাৰ উদ্দেশ্যে নহয়, উদাহৰণস্বৰূপে অমুক গুনাহটো যাতে সহজে কৰিব পাৰে অথবা এই অন্যায়মূলক কামটো যাতে সহজতে হয়, এনেকুৱা উদ্দেশ্য যদি নাথাকে। এইদৰে আত্মীয়ৰ সৈতে সম্পৰ্ক ছিন্ন কৰাৰ উদ্দেশ্যে যাতে নহয়, যেনে- সন্তান-সন্ততি আৰু আত্মীয়ৰ বিৰুদ্ধে বদ্দুআ কৰা, তেন্তে সেই দুআটো এই তিনিটা পৰ্যায়ৰ যিকোনো এটা পৰ্যায়ত থাকিব। হয়তো তাৰ দুআ লগে লগে কবূল কৰি, তাক লগে লগে প্ৰতিদান দিয়া হয়। নাইবা আল্লাহে কিয়ামতৰ দিনা তাৰ মৰ্যাদা উন্নীত কৰিবলৈ, অথবা তাৰ প্ৰতি দয়া কৰি তাৰ গুনাহসমূহ ক্ষমা কৰিবলৈ সেই দুআৰ ছোৱাব জমা কৰি ৰাখে। অথবা সেই দুআৰ অনুপাতে এই পৃথিৱীতেই তাৰ পৰা কোনো বিপদ-আপদ দূৰ কৰি দিয়ে। তেতিয়া চাহাবাসকলে নবী চাল্লাল্লাহু আলাইহি অছাল্লামক ক'লেঃ তেন্তে এই ফজীলত পাবলৈ আমি বেছি বেছি দুআ কৰা উচিত? তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ক'লেঃ তোমালোকে বিচৰাতকৈও অধিক প্ৰতিদান আল্লাহৰ ওচৰত আছে। তেওঁৰ দান কেতিয়াও শেষ নহয়।